## অসম জাতীয় বিদ্যালয়ৰ উদ্যোগ ঃ দল-সংগঠন, ব্যক্তিৰ অংশগ্ৰহণ

# নুনমাটিত গছপুলি ৰোপণ কাৰ্যসূচীৰ সফল ৰূপায়ণ



মহানগৰ বাৰ্তা, ২৩ আগষ্ট ঃ অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আজি গছপুলি ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা ৯.৩০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানটিত সদ্যপ্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে প্ৰয়াত নায়াৰে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰ পৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল। গছপুলি ৰোপণ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য আৰু নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, নুনমাটি দুৰ্গাপূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'চিয়েচন, ৰাণা ষ্টাৰ ক্লাব, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় লোক, একাংশ শিক্ষাৰ্থী। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে ড° নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্তচৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰ মোহন গোস্বামী, ৰঞ্জিত নাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূঞা, প্ৰকাশ মহন্ত, প্ৰণৱ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মন, উৎপলা বৰা, নিৰ্মালি অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। বিদ্যালয়ৰ চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়ো কাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আৰু আহ্বায়ক হিচাপে দায়িত্ব পালন কৰে শিক্ষক কুঞ্জৰ দাসে।

নিয়মীয়া বাৰ্তা, ২৪ আগষ্ট, ২০১৮.
পৃষ্ঠা নং - ৭

# অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত 'গছপুলি ৰোপণ'ৰ সফল ৰূপায়ণ



মহানগৰ সংবাদ

**গুৱাহাটী, ২৩ আগষ্ট ঃ** সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে 'গছপুলি ৰোপণ'ৰ এক অতুলনীয় পদক্ষেপ হাতত লয়। পুৱা ৯.৩০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানটিত সদ্য প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখযোগ্য যে প্ৰয়াত নায়াৰদেৱে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰ পৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল। গছপুলি ৰোপণৰ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য আৰু বিভিন্ন সংগঠনৰ কৰ্তৃপক্ষৰ লগতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণি ভাষণত গছপুলি ৰোপণ কৰা কাৰ্যত সহায় কৰা স্থানীয় নাগৰিকসকলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া সকলক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি মন্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। লগতে ডাঃ শৰ্মাই আশ্বাস দিয়ে যে ৰোপণ কৰা গছপুলিসমূহৰ সম্পূৰ্ণ তদাৰকৰ ব্যৱস্থা অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিব। বিদ্যালয়ৰ চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আৰু আহ্বায়ক হিচাপে দায়িত্ব পালন কৰি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কুঞ্জৰ দাসে।

এদিনৰ সংবাদ ২৪ আগষ্ট ২০১৮
পৃষ্ঠা নং - ৫

# असम जातीय विद्यालय का पौधरोपण कार्यक्रम संपन्न



**गुवाहाटी।** असम जातीय विद्यालय के रजत जयंती वर्ष के उपलक्ष्य पर आज पौध रोपण कार्यक्रम का आयोजन किया गया। सुबह 9.30 बजे से शुरू हुए कार्यक्रम में पूर्व प्रधानमंत्री भारतरत्न अटल बिहारी वाजपेयी तथा वरिष्ठ पत्रकार कुलदीप नैय्यर की दिवंगत आत्मा के शांति के लिए एक मिनट का मौन रखा गया। उल्लेखनीय है कि स्वर्गीय नैय्यर ने अखिल असम छात्र संघ के जरिए अपनी सांसद राशि से असम जातीय विद्यालय को आर्थिक अनुदान प्रदान किया था। पौधरोपण कार्यक्रम में संगीतज्ञ रमेन बरुवा, गुवाहाटी शोधनागार के कार्यकारी निदेशक योगेन बरपूजारी, समाजसेवक देवेश्वर भट्टाचार्य और नूनमाटी छात्र संस्था, नूनमाटी बिहू सन्मिलनी, नूनमाटी दुर्गा पूजा परिचालना समिति, गुवाहाटी रिफाइनरी श्रमिक संस्था, श्रीमंत शंकरदेव कीर्तनघर परिचालना समिति, नूनमाटी मर्चेंट एसोसिएशन समेत कई संगठनों के प्रतिनिधि उपस्थित थे। विद्यालय के प्राचार्य घनश्याम मेधी ने अपने स्वागत भाषण में पौधरोपण कार्यक्रम में सहयोग करने वाले संगठनों व स्थानीय लोगों का आभार जताया। पौधरोपण कार्यक्रम में डॉ. नारायण शर्मा, दिलीप कुमार दत्त चौधरी, रंजित नारायण डेका, योगेन बरपूजारी, देवेश्वर भट्टाचार्य, रमेन बरुवा, प्रांजल डेका, टिकेंद्रजित कोंवर, किशोर देउरी, नरेंद्र मोहन गोस्वामी, मधुरंजन नाथ, गोपाल दास, प्रदीप तालुकदार, तपन भुइयां, प्रकाश महंत, प्रणब तालुकदार समेत कई गणमान्य लोगों ने शिरकत की। कार्यक्रम के आयोजन में विद्यालय के वरिष्ठ शिक्षक असीम कृष्ण बरुवा व कार्यक्रम संयोजक विद्यालय के वरिष्ठ शिक्षक कुंजर दास ने सराहनीय भूमिका निभाई।

পূৰ্বাঞ্চল প্ৰহরী (হিন্দী) ২৪ আগষ্ট, ২০১৮
পৃষ্ঠা: -২

# অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত গছপুলি ৰোপণ

মহানগৰ বাতৰি সেৱা

গুৱাহাটী, ২৩ আগষ্ট ঃ সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে 'গছপুলি ৰোপণ'ৰ এক পদক্ষেপ হাতত লয়। আজি পুৱা ৯-৩০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠান প্ৰাক্তন প্ৰধানমন্ত্ৰী সদ্যপ্ৰয়াত অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখযোগ্য যে প্ৰয়াত নায়াৰে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰপৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল।







গছপুলি ৰোপণৰ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজকৰ্মী দেৱেশ্বৰ ভট্টাচাৰ্য আৰু নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, নুনমাটি দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'চিয়েচন, ৰাণা ষ্টাৰ ক্লাব, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণত গছপুলি ৰোপণ কৰা কাৰ্যত সহায় কৰা স্থানীয় নাগৰিকসকলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি মন্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। লগতে ডাঃ শৰ্মাই আশ্বাস দিয়ে যে ৰোপণ কৰা গছপুলিসমূহৰ সম্পূৰ্ণ তদাৰকৰ ব্যৱস্থা অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিব। গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰীয়ে তেওঁৰ বক্তব্যত বিদ্যালয়ৰ এনে কাৰ্যক প্ৰশংসা কৰে। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে ডাঃ নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্তচৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰ মোহন গোস্বামী, ৰঞ্জিৎ নাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূঞা, প্ৰকাশ মহন্ত, প্ৰণৱ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মণ, উৎপলা বৰা, নিৰ্মালী অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। বিদ্যালয়ৰ চৌহদৰপৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পূৰ্ণ কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আৰু আহ্বায়ক হিচাপে দায়িত্ব পালন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কুঞ্জৰ দাসে।

দৈনিক অসম ২৪ আগষ্ট, ২০১৮
পৃষ্ঠা নং - ৭

# অসম জাতীয় বিদ্যালয়ত গছপুলি ৰোপণ



মহানগৰ ব্যুৰ', ২৩ আগষ্ট ঃ অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আয়োজন কৰা গছপুলি ৰোপণ কাৰ্যসূচী আজি সম্পন্ন হয়। পুৱা ৯-৩০ বজাত আৰম্ভ হোৱা অনুষ্ঠানটোৰ আৰম্ভণিতে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ শান্তিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। কাৰ্যসূচীত বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য, নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থীকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ সচিব ড° নাৰায়ণ শমাই জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম কাৰ্যসূচী হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰে বুলি জনায়। লগতে গছপুলিবোৰ অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা তদাৰক কৰা হ'ব বুলি শৰ্মাই উল্লেখ কৰে। শিক্ষক অসীম কৃষ্ণ বৰুৱাই আঁত ধৰা অনুষ্ঠানত গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰীয়ে ভাষণত বিদ্যালয়ৰ এনে কাৰ্যক প্ৰশংসা কৰে। সভাৰ আৰম্ভণিতে অধ্যক্ষ ঘনশ্যাম মেধিয়ে উদ্দেশ্য ব্যাখ্যা কৰে। তাৰ পাছতে অনুষ্ঠিত গছ পুলি ৰোপণ কাৰ্যসূচীত ড° নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্ত চৌধুৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, কিশোৰ দেউৰী, নৰেন্দ্ৰ মোহন গোস্বামীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

দৈনিক জনমভূমি, ২৪ আগষ্ট ২০১৮
পৃষ্ঠা নং – ১১

# Assam Jatiya Bidyalay launches plantation drive

**STAFF REPORTER**

GUWAHATI, Aug 23: As part of its year-long silver jubilee celebration, Assam Jatiya Bidyalay today launched a plantation drive on both sides of the MD Road in Noonmati area of the city.

Besides its Higher Secondary students, former students, teachers, non-teaching staff, members of the Bidyalay management committee, musician Ramen Barua, Guwahati Refinery Executive Director Jogen Barpujari, social worker Debeswar Bhattacharya, officer-bearers of the Noonmati unit of AASU, the members of the Noonmati Bihu Sanmilani, Workers' Union of Guwahati Refinery, Srimanta Sankardev Kirtanghar, Durga Puja Committee, Noonmati Merchants' Association and Rana Star Club took part in the programme. Earlier, the programme started with the paying of tributes to former Prime Minister Atal Bihari Vajpayee and eminent journalist Kuldip Nayar, who had extended a significant financial aid to the Bidyalay from his MP fund. A meeting held on the occasion was addressed by school management committee secretary Dr Narayan Sarma, Guwahati Refinery Executive Director Jogen Barpujari and others.



*Students taking part in the Assam Jatiya Bidyalay plantation drive, on Thursday. – AT photo*

The Assam Tribune, 24 August, 2018
Page No – 5

অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰে সংগতি ৰাখি ৰাজপথৰ কাষত গছপুলি ৰোপণ

# সেউজীয়া অসমৰ সন্ধানত অসম জাতীয় বিদ্যালয়

## ৰোপণ কৰা গছপুলিসমূহ সম্পূৰ্ণৰূপে তদাৰক কৰিব অসম জাতীয় বিদ্যালয়ে ঃ ডাঃ নাৰায়ণ শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ আগষ্ট ঃ সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে 'গছপুলি ৰোপণ'ৰ এটা বিশেষ পদক্ষেপ হাতত লৈছে। বৃহস্পতিবাৰে পুৱা ৯.৩০ বজাত এই উপলক্ষে আৰম্ভ হোৱা এই অনুষ্ঠানটোত সদ্যপ্ৰয়াত প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য, কুলদীপ নায়াৰে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰ পৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল। গছপুলি ৰোপণ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য, জি এল পাব্লিকেশ্বন্‌ছৰ মহাপ্ৰবন্ধক প্ৰণৱ কুমাৰ তালুকদাৰ, নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, নুনমাটি দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তনঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'চিয়েশ্বন, ৰাণা ষ্টাৰ ক্লাব, অসম জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণত গছপুলি ৰোপণ কৰা কাৰ্যত সহায় কৰা স্থানীয় নাগৰিকসকলৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম অংশ হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি মন্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। লগতে ডাঃ শৰ্মাই আশ্বাস দিয়ে যে ৰোপণ কৰা গছপুলিসমূহৰ সম্পূৰ্ণ তদাৰকৰ ব্যৱস্থা অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিব। গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰীয়ে তেওঁৰ বক্তব্যত অসম জাতীয় বিদ্যালয়ৰ এনে কাৰ্যক ভূয়সী প্ৰশংসা কৰে। ভাষণ প্ৰদান অনুষ্ঠানৰ পাছতেই গছপুলি ৰোপণ কাৰ্য আৰম্ভ হয়। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে— ডাঃ নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্ত চৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰ মোহন গোস্বামী, ৰঞ্জিত নাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূঞা, প্ৰকাশ মহন্ত, প্ৰণৱ কুমাৰ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মন, উৎপলা বৰা, নিৰ্মালী অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। অসম জাতীয় বিদ্যালয় চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। আহ্বায়ক হিচাপে দায়িত্ব পালন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কুঞ্জৰ দাসে।



*অসম জাতীয় বিদ্যালয়ৰ গছপুলি ৰোপণ কাৰ্যসূচীত গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট শিল্পী ৰমেন বৰুৱা, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য, জি এল পাব্লিকেশ্বন্‌ছৰ মহাপ্ৰবন্ধক প্ৰণৱ কুমাৰ তালুকদাৰ, অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী আৰু সচিব ডাঃ নাৰায়ণ শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তি, অভিভাৱক, শিক্ষাগুৰু আৰু শিক্ষাৰ্থী। বৃহস্পতিবাৰৰ ছবি*

আমাৰ অসম, ২৪ আগষ্ট, ২০১৮
পৃষ্ঠা নং - ৭

# অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত 'গছপুলি ৰোপণ'

মহানগৰ খবৰ, ২৩ আগষ্ট ঃ সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ ভাবসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে 'গছপুলি ৰোপণ'ৰ এক অতুলনীয় পদক্ষেপ হাতত লয়। পুৱা ৯.৩০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানটিত সদ্য প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে প্ৰয়াত নায়াৰে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰ পৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল। গছপুলি ৰোপণৰ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য আৰু নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলন, নুনমাটি দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'চিয়েচন, ৰাণা ষ্টাৰ ক্লাব, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণত গছপুলি ৰোপণ কৰা কাৰ্যত সহায় কৰা স্থানীয় নাগৰিকসকলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি মন্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰীয়ে তেওঁৰ বক্তব্যত বিদ্যালয়ৰ এনে কাৰ্যক প্ৰশংসা কৰে। ভাষণ প্ৰদান অনুষ্ঠানৰ পাছতেই গছপুলি ৰোপণ কাৰ্য আৰম্ভ হয়। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে— ডাঃ নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্তচৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰমোহন গোস্বামী, ৰঞ্জিৎ নাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূঞা, প্ৰকাশ মহন্ত, প্ৰণৱ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মন, উৎপলা বৰা, নিৰ্মালি অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। বিদ্যালয় চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীমকৃষ্ণ বৰুৱাই।



অসমীয়া খবৰ ২৪ আগষ্ট, ২০১৮
পৃষ্ঠা নং – ৮

# পৰিবেশ সুৰক্ষাৰ সজাগতাৰে অসম জাতীয় বিদ্যালয়ৰ গছপুলি ৰোপণ



গুৱাহাটী, ২৩ আগষ্ট ঃ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি আজি 'গছপুলি ৰোপণ' কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানটিত সদ্যপ্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। গছপুলি ৰোপণ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য, নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, নুনমাটি দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'চিয়েচন, ৰাণা ষ্টাৰ ক্লাব, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় লোক আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণত স্থানীয় নাগৰিকসকলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। বিদ্যালয়ৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই কয় যে ৰোপণ কৰা গছপুলিসমূহৰ সম্পূৰ্ণ তদাৰকৰ ব্যৱস্থা অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিব। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে ডাঃ নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্তচৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰমোহন গোস্বামী, ৰঞ্জিতনাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূঞা, প্ৰকাশ মহন্ত, প্ৰণৱ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মন, উৎপলা বৰা, নিৰ্মালি অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। বিদ্যালয় চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীমকৃষ্ণ বৰুৱাই আৰু আহ্বায়ক হিচাপে দায়িত্ব পালন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কুঞ্জৰ দাসে।





অসমীয়া প্ৰতিদিন, ২৪ আগষ্ট, ২০১৮
পৃষ্ঠা নং - ৬